# ড° শশীকান্ত শইকীয়া
## (চমু পৰিচয়)

ডি.এইচ.এছ. কানৈ মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, দিছপুৰ কলেজ আৰু ডিব্ৰু কলেজৰ প্ৰাক্তন অধ্যাপক, ফিল'বাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক, ছাত্ৰ অৱস্থাত ডুমডুমা ৰূপাইস্থিত আসাম টিম্বাৰত নিশাৰ ভাগত হাজিৰা শ্ৰমিক হিচাপে কাম কৰা ড° শশীকান্ত শইকীয়াৰ জন্ম হৈছিল ডিব্ৰুগড় মোহনবাৰীৰ সমীপৰ হাৰবাৰী গাঁৱত। তিনিচুকীয়া জিলাৰ ফিল'বাৰী পদুম পথাৰ গাঁৱত শৈশৱ, স্কুলীয়া জীৱন পাৰ কৰা ড° শইকীয়াই ফিল'বাৰী হাইস্কুল, ডুমডুমা মহাবিদ্যালয়ৰ পৰা বাণিজ্যৰ স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰ্যটন বিষয়ত পি.এইচ.ডি. লাভ কৰে। ড° শশীকান্ত শইকীয়া বৰ্তমান ডিব্ৰুগড় গান্ধীপথ, গান্ধীনগৰৰ বাসিন্দা, এগৰাকী নিয়মীয়া স্তম্ভ লেখক, সাহিত্যিক, কবি আৰু শিক্ষাসদী ব্যক্তি।

তদানিন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে 'কৰ্মসূৰ্য-২০২০' উপাধি লাভ কৰা, ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱসত উপায়ুক্ত বিশ্বজিৎ পেগুৰ দ্বাৰা উত্ম সম্বৰ্ধিত, মাজুলীৰ জনপ্ৰিয় আলোচনী 'পলস'ৰ উদ্যোগত শ্ৰীশ্ৰী দক্ষিণপাট আশ্ৰমী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী জনাৰ্দন দেৱ গোস্বামীয়ে ২০২৩ চনৰ ৩ এপ্ৰিলত 'দীনবন্ধু' উপাধি প্ৰদান, শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিয়ে ১১৯ সংখ্যক শ্বহীদ কুশল কোঁৱৰ জন্ম-জয়ন্তীৰ উদযাপনৰ স'তে সংগতি ৰাখি ডিব্ৰুগড়ৰ সমাজ জীৱন, সাহিত্য ক্ষেত্ৰকে ধৰি অন্যান্য ক্ষেত্ৰলৈ আগবঢ়োৱা দীৰ্ঘদিনীয়া সেৱা আৰু অৱদানৰ বাবে ২১ মাৰ্চ, ২০২৩-ত 'ডিবৰু হিতৈষী' সন্মান প্ৰদান, সাহিত্য ক্ষেত্ৰলৈ অনবদ্য বৰঙণি আগবঢ়োৱাৰ বাবে অসমৰ অন্যতম সাহিত্য সংগঠন মহীয়সী সেউজী সাহিত্য মঞ্চৰ দ্বাৰা ২০২২ চনৰ ৩০ অক্টোবৰত 'সেউজী প্ৰাগ জ্যোতিষ সন্মান-২০২২' ৰে বিভূষিত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াক আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন পৰ্যটন সংস্থা 'দ্যা কুৰেষ্ট'ৰ তৰফৰ পৰা ২০২২ চনৰ ২৭ জুলাইত ভিয়েটনাম ভ্ৰমণৰ সময়ত 'অতি উৎসাহি ব্যক্তি' (Most Enthusiastic Person) হিচাপে সন্মান প্ৰদান, শিক্ষাৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণিৰ চিনস্বৰূপে ২০২৩ চনৰ ৮ এপ্ৰিলত মেঘালয়স্থিত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ে 'Academic Leadership Award-2023' প্ৰদান, নতুন দিল্লীস্থিত বিশ্ব মানৱ অধিকাৰ সুৰক্ষা সমিতিয়ে ৪ জুন ২০২৩ত 'Peace Ambassador Award-2023', প্ৰদান, ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰগেনাইজেশ্যনৰ দ্বাৰা 'অসম গৌৰৱ বঁটা-২০২৩ প্ৰদান, শিক্ষা তথা সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য বৰঙণীৰ বাবে ড০ বি আৰ আম্বেদকাৰ ৰাষ্ট্ৰীয় সন্মান পদক-২০২৩, চৈয়দ আব্দুল মালিক মেম'ৰিয়েল বঁটা-২০২৩, All Assam Koch Rajbongshi Students Union-ৰ দ্বাৰা বীৰ চিলাৰায় বঁটা-২০২৪', কলকাতাস্থিত প্ৰতিষ্ঠিত বি স্কুল EIILM-ৰ দ্বাৰা 'North East Leadership Award-2024' ইতিমধ্যে প্ৰদান কৰিছে।

এগৰাকী পৰ্যটনৰ গৱেষক, ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ প্ৰাক্তন কোষাধ্যক্ষ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক, কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ প্ৰাক্তন সম্পাদক, ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ প্ৰাক্তন সম্পাদক (তিনিবাৰকৈ), ডিব্ৰু মহাবিদ্যালয়ৰ এন চি চিৰ প্ৰাক্তন কমিশ্যন অফিচাৰ, অসমৰ নামঘৰ সমূহৰ একত্ৰীকৰণ সমিতিৰ প্ৰাক্তন সভাপতি, স্বচ্ছভাৰত মিছন (নমস্তে) ৰাজ্যৰ ব্ৰেণ্ড এম্বেচেদৰৰ দৰে গুৰু দায়িত্বও তেওঁ বহন কৰিছিল। অধ্যক্ষ ড° শইকীয়া সমগ্ৰ পৃথিৱীত সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিকৰণ কৰিবলৈ গঠন হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠন 'স্নেহবন্ধন, অসম'ৰ (A Global Assamese Community) সাধাৰণ সম্পাদক, ঐতিহাসিক ডিব্ৰুগড় সাহিত্য সভাৰ দুটা কাৰ্যকালৰ সভাপতি, ভাৰতীয় ইতিহাস সন্মিলন ডিব্ৰুগড় জিলাৰ উপ-সভাপতি, ডিব্ৰুগড় ছেচ ক্লাৱৰ প্ৰতিষ্ঠাপক সভাপতি, অসমৰ সাংস্কৃতিক অনুষ্ঠান 'বৰভেটি'ৰ উপ-সভাপতি, ডিব্ৰুগড় গ্ৰন্থাগাৰিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি, 'বিয়িং ব্লিচ'ৰ প্ৰতিষ্ঠাপক সভাপতি, 'মানুহে মানুহৰ বাবে' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সক্ৰিয় সদস্য, শ্বহীদ কুশল কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি, গ্ৰাম্য সাংবাদিক সংস্থা, অসমৰ উপদেষ্টা, অসম লেখিকা সমাজৰ উপদেষ্টা, সদৌ অসম সত্ৰ মহাসভা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি, মহীয়সী সেউজী সাহিত্য মঞ্চৰ উপদেষ্টাকে ধৰি বিভিন্ন সামাজিক কাম-কাজত জড়িত হৈ সমাজ সেৱাত ব্ৰতী হোৱাৰ বাবে অসমৰ ১০০ টাৰো অধিক বিভিন্ন দল-সংগঠনে ইতিমধ্যে শ্ৰদ্ধা আৰু সম্বৰ্ধনা জ্ঞাপন কৰিছে। অধ্যক্ষ ড° শইকীয়াই ডি এইচ এছ কানৈ মহাবিদ্যালয়ত স্বচ্ছতাৰ দিশত কৰা কৰ্মৰাজিৰ বাবে শিক্ষামন্ত্ৰী ড° ৰনোজ পেগুৰ দ্বাৰা উচ্চ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে।

সৰুৰে পৰাই সাহিত্য, কবিতাৰ প্ৰতি আগ্ৰহী ড° শইকীয়াৰ প্ৰায় ৩০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ পাইছে। 'মোৰ জীৱন, মোৰ সপোন, মোৰ কথা' আত্ম জীৱনীৰ (প্ৰথম খণ্ড), 'লকডাউন তোমাৰ নাম' (প্ৰথম) কাব্য গ্ৰন্থ। 'মোৰ কিয় খং উঠে', 'কেনেকৈ নিঃশেষ হয় এটা জাতি', 'সুখ আৰু সৌন্দৰ্য', 'বিন্দাছ অসমীয়া', 'এজন সুখী মানুহৰ সন্ধানত' আদি ড° শইকীয়াৰ উল্লেখযোগ্য গ্ৰন্থ। ড° শইকীয়াৰ অধিকাংশ লেখাই হ'ল জীৱনকেন্দ্ৰিক। জীৱনক ওচৰৰ পৰা জুমি চাব বিচৰা ড° শইকীয়াৰ জীৱনক কেন্দ্ৰ কৰি লিখা 'জীৱন বাঁহীৰ সুৰ'ৰ পঞ্চম খণ্ড প্ৰকাশ পাইছে। ড° শইকীয়াৰ বৰ্ণিল কৰ্মময় জীৱনৰ বিষয়ে অধিক জানিবলৈ ৱেবচাইটঃ www.sashikantasaikia.com-ত উপলব্ধ হৈ আছে।

Created by Universal Document Converter